অসম

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন সম্পন্ন, সভানেত্ৰী তনুশ্ৰী চাংমাই আৰু সম্পাদিকা জুপিতৰা গগৈ

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ২০২৬–২৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত তনুশ্ৰী চাংমাই সভানেত্ৰী আৰু জুপিতৰা গগৈ সাধাৰণ সম্পাদিকা নিৰ্বাচিত হয়। গোপন বেলটৰ জৰিয়তে অনুষ্ঠিত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে বিজয়ীসকলে ডিগবৈ চহৰত বিজয় সমদল উলিয়ায়।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, নিশা ৮:৪২



Digboi Women’s College Students’ Union Election Concludes; Tanushree Changmai Elected President, Jupitara Gogoi General Secretary (NewzNow)

ডিগবৈ, ১৩ নৱেম্বৰ: ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ২০২৬–২৭ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে অনুষ্ঠিত হয়। গোপন বেলটৰ জৰিয়তে অনুষ্ঠিত নিৰ্বাচনত সভানেত্ৰী হিচাপে তনুশ্ৰী চাংমাই আৰু সাধাৰণ সম্পাদিকা হিচাপে জুপিতৰা গগৈ নিৰ্বাচিত হয়।

নিৰ্বাচনত উপ-সভানেত্ৰী হিচাপে কৰ্ণালী শইকীয়া, সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে শ্যামন্তিকা নমশূদ্ৰ, সাংস্কৃতিক সম্পাদিকা হিচাপে গায়িত্ৰী সোণোৱাল আৰু আলোচনী সম্পাদিকা হিচাপে অৰুণামালি মৰাণ নিৰ্বাচিত হয়।

© 2026 NewzNow

আনহাতে, তর্ক সম্পাদিকা হিচাপে বিস্মিতা মৰাণ, ছাত্রী জিৰণি কোঠা সম্পাদিকা হিচাপে মৰমী ৰাজপুত, বহিঃক্রীড়া সম্পাদিকা হিচাপে ৰিয়াক্ষী তাঁতী আৰু আভ্যন্তৰীণ ক্রীড়া সম্পাদিকা হিচাপে মৌমিতা সোণোৱালে জয়লাভ কৰে।

নির্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছতে বিজয়ী প্রার্থীসকলক লৈ মহাবিদ্যালয়ৰ ছাত্রীসকলে মূল প্রৱেশদ্বাৰৰ পৰা ডিগবৈ চহৰলৈ এক বিজয় সমদল উলিয়ায়। সমদলত অংশগ্রহণকাৰীসকলে আনন্দ-উল্লাসেৰে বিজয় উদযাপন কৰে।

নৱনির্বাচিত প্রতিনিধিসকলক বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দই অভিনন্দন জ্ঞাপন কৰে। লগতে ছাত্রীসকলৰ শৈক্ষিক আৰু সামাজিক উন্নয়নৰ ক্ষেত্রত ইতিবাচক ভূমিকা গ্রহণ কৰাৰ লগতে ছাত্রী সমাজৰ স্বার্থত দায়িত্বশীলভাৱে কাম কৰিবলৈ আহ্বান জনায়।

আজিৰ নির্বাচনী প্রক্রিয়াত মহাবিদ্যালয়খনৰ অধ্যক্ষা ড□ সঞ্জিতা চেতিয়া, উপাধ্যক্ষ ড□ জুভিয়েল কলিতা, শিক্ষক-শিক্ষয়িত্রী আৰু কর্মচাৰীসকলে সহযোগিতা আগবঢ়ায়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2526/digoboi-mohila-mohabidyaloyor-satri-ekota-sobhar-nirbason-somponn-sobhanetri-ton